# প্ৰতিবেদন

## সাহিত্য, তৰ্ক আৰু আলোচনী বিভাগ

## অসমীয়া বিভাগ

### <u>আন্তঃমহাবিদ্যালয় ৰচনা প্ৰতিযোগিতা</u>

দিনাংক : ৫ নৱেম্বৰ ২০২২

পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ৰ সাহিত্য,তৰ্ক আৰু আলোচনী শাখাৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে “ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা” শীৰ্ষক বিষয়ত এখন আন্তঃমহাবিদ্যালয় ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখন পৰিচালনা কৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য তৰ্ক আৰু আলোচনী শাখাৰ সম্পাদক উজ্জ্বল বৰা আৰু তত্ত্বাৱধায়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ৰাখী দেওধাই ফুকনৰ লগতে অসমীয়া বিভাগৰ অধ্যাপকসকলে। সমগ্ৰ অসমৰ পৰা প্ৰায় ৬০ তকৈও অধিক প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰা উক্ত প্ৰতিযোগিতা খনৰ ইংৰাজী ৬ ডিচেম্বৰ ২০২২ তাৰিখে ফলাফল ঘোষণা কৰা হয়। প্ৰতিযোগিতাখনত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ (গোলাঘাট) প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী নয়নমণি দুৱৰা, লখিমপুৰ তেলাহী কমলাবাৰী মহাবিদ্যালয়ৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী মেৰী কলিতা আৰু মৰিগাঁও মহাবিদ্যালয়ৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ কৃষ্ণ হাজাৰিকাই। পৰৱৰ্তী সময়ত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত তিনিগৰাকী প্ৰতিযোগিক ক্ৰমে ৩০০০ টকা, ২০০০ টকা আৰু ১০০০ টকাৰ লগত এখনকৈ মানপত্ৰৰে পুৰস্কৃত কৰা হয়।






**নয়নমণি দুৱৰা**
স্নাতক প্ৰথম ষাণ্মাসিক,
দেৱৰাজ ৰয় মহাবিদ্যালয়,
গোলাঘাট



**মেৰী কলিতা**
স্নাতক তৃতীয় ষাণ্মাসিক,
লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়,
লখিমপুৰ



**কৃষ্ণ হাজৰিকা**
স্নাতক পঞ্চম ষাণ্মাসিক,
মৰিগাঁও মহাবিদ্যালয়,
মৰিগাঁও

# ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

প্ৰতিদিন সংবাদ, লখিমপুৰ, ৬ ডিচেম্বৰ : লখিমপুৰৰ পানীগাঁও অ' পি ডি মহাবিদ্যালয়ৰ সাহিত্য, তৰ্ক আৰু আলোচনা বিভাগৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী উপলক্ষে আয়োজন কৰা আন্তঃমহাবিদ্যালয় ৰচনা প্ৰতিযোগিতাৰ ফলাফল আজি ঘোষণা কৰা হয়। 'ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা' শীৰ্ষক বিষয়ত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ নয়নমণি দুৱৰাই প্ৰথম স্থান, লখিমপুৰৰ এন টি কে মহাবিদ্যালয়ৰ মেৰী কলিতাই দ্বিতীয় স্থান আৰু মৰিগাঁও মহাবিদ্যালয়ৰ কৃষ্ণ হাজৰিকাই তৃতীয় স্থান লাভ কৰে। স্থান লাভ কৰা প্ৰতিযোগীসকলক বঁটাৰ লগতে নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলক তেওঁলোকৰ বেংক একাউণ্ট নম্বৰ মহাবিদ্যালয়খনৰ তত্ত্বাৱধায়ক ড° ৰাখী দেওধাই ফুকন আৰু সাহিত্য সম্পাদক উজ্জ্বল বৰাৰ হোৱাটছআপ নম্বৰ ক্ৰমে ৭০০২১৮৮৬৭১ আৰু ৮৭৬১৯২৮১০৫ত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে।